
শিল্পকলা

## অস্কাৰপ্ৰাপ্ত ছবি


# দ্য শ্বেপ অৱ ৱাটাৰ




জিতুমণি পাঠক

**চলচ্চিত্ৰৰ** সৈতে জড়িত যিকোনো ব্যক্তিকে তেওঁৰ কাংক্ষিত স্বপ্ন কি বুলি ক'লে নিঃসন্দেহে এটা শব্দই উচ্চাৰিত হ'ব— অস্কাৰ। অস্কাৰৰ যি আকৰ্ষণ, যি মাদকতা তাৰ তুলনাত যেন সকলো প্ৰাপ্তিয়েই তুচ্ছ হৈ পৰে। চলচ্চিত্ৰৰ সৈতে নিবিড়ভাৱে সংপৃক্ত হৈ থকা প্ৰতিগৰাকী ব্যক্তিয়ে এবাৰলৈ হ'লেও কল্পনা কৰে এই বৃহৎ স্বপ্নক চুই চোৱাৰ, তাক নিজৰ কৰাৰ। সেয়েহে যিদিনাই এক আড়ম্বৰপূৰ্ণ ৰঙীন স্বপ্নময়তাৰ মাজত ঘোষিত হয়... এণ্ড দ্য অস্কাৰ গ'জ টু, তেতিয়াই হাজাৰজনৰ হৃদয়ত ই সৃষ্টি কৰে অপ্ৰতিৰোধ অনুৰণনৰ। এই অনুৰণনৰ ধ্বনি কেৱল শিল্পী-কলা কুশলীৰ মাজতে আবদ্ধ নাথাকি ব্যাপ্ত হৈ পৰে দৰ্শক অনুগামীলৈও।

৯০সংখ্যক অস্কাৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ ছবিৰ বঁটা প্ৰাপ্তিৰে নিজকে অস্কাৰৰ ইতিহাসত অন্তৰ্ভুক্ত কৰিবলৈ অনেক ছবিৰ মাজৰ পৰা ৯খন ছবিয়ে শেষ মনোনয়ন লাভ কৰিছিল। ছবিকেইখন আছিল যথাক্ৰমে ষ্টিভেন স্পিলবাৰ্গৰ দ্য পষ্ট' খ্ৰীষ্টোফাৰ





নোলানৰ 'ডানকিৰ্ক' মাৰ্টিন মেকডোনাৰ 'থ্ৰি বিলবোৰ্ডছ আউটছাইড এবিং, মিচৌৰী, গ্ৰেটা গাৰউইগৰ 'লেডী ৱাৰ্ড, লুকা, গোৱাডাগনিনোৰ কল মি বাই ইয়'ৰ নেইম', জো ৰাইটৰ ডাৰ্কেষ্ট আৱাৰ, জৰ্ডান পিলৰ গেট আউট', পল টমাছ এণ্ডাৰছনৰ 'ফেণ্টম থ্ৰেডছ', গিয়েৰম, দেল তোৰোৰ 'দ্য শ্বেপ অৱ ৱাটাৰ।' চলচ্চিত্ৰ জগতৰ ৰথী-মহাৰথীসকলৰ এই ধ্ৰুপদী সৃষ্টিৰ মাজত কোনে গৈ শেষ হাঁহিটো মাৰে তাকে লৈ মনোনয়নৰ দিনটোৰ পৰাই সকলোৱে উৎকণ্ঠিত হৈ অপেক্ষা কৰিছিল। অৱশেষত চাৰি মাৰ্চৰ দিনাখন ঘোষিত হ'ল শ্ৰেষ্ঠৰ মাজত শ্ৰেষ্ঠতম ছবিখনৰ নাম— দ্য শ্বেপ অৱ ৱাটাৰ। পৰিচালক গিয়েৰম' দেল তোৰোৰ কল্পনা-বাস্তৱৰ সংমিশ্ৰণৰ অনবদ্য এক সৃষ্টি দ্য শ্বেপ অৱ ৱাটাৰ।

দ্য শ্বেপ অৱ ৱাটাৰৰ কাহিনীভাগ গতি কৰে এলিছিয়া নামৰ এগৰাকী যুৱতীক লৈ। এলিছিয়াক সৰুতে উদ্ধাৰ কৰা হৈছিল এখন নদীৰ পাৰত ডিঙিত এক আঘাতৰ চিহ্ন থকা অৱস্থাত। মূকবধিৰ এলিছিয়াই কথা পাতিবলৈ সাংকেতিক ভাষা ব্যৱহাৰ কৰে। প্ৰাপ্তবয়স্ক অৱস্থাত এলিছিয়াই ১৯৬২ চনৰ শীতল যুদ্ধৰ সময়ত বাল্টিমোৰৰ এটি অতি সুৰক্ষিত চৰকাৰী গৱেষণাগাৰত চাফাই কৰ্মী হিচাপে কাম কৰিবলৈ লয়। থাকিবলৈ লয় গৱেষণাগাৰ বাহিৰৰ চিনেমা হলৰ ওপৰৰ এপাৰ্টমেণ্টত। এলিছিয়াৰ সংগী বুলিবলৈ দুজনেই— এগৰাকী হ'ল তেওঁৰ প্ৰতিবেশী, অকলশৰীয়া গীল আৰু এলিছিয়াৰ দৰেই আন এগৰাকী চাফাইকৰ্মী জেল্ডা।

বৈচিত্ৰ্যহীন এলিছিয়াৰ জীৱন পৰিক্ৰমাত হঠাতে এদিন আলোড়নৰ সৃষ্টি হ'ল যিদিনাখন তাই গৱেষণাগাৰৰ পানীৰ টেংকিত এটি আচৰিত মানৱ সদৃশ প্ৰাণীৰ আৱিষ্কাৰ কৰিলে। সকলোৰে অলক্ষিতে উভচৰ এই মানৱ সদৃশ প্ৰাণীটোৰ সৈতে লগ কৰি এলিছিয়া নিশ্চিত হ'ল যে ই তাঁৰৰ দৰে বাকহীন যদিও প্ৰবল অনুভূতি সম্পন্ন। লাহে লাহে দুয়োৰে মাজত এক অদেখা বান্ধোনৰ সৃষ্টি হ'ল। অৱশ্যে এলিছিয়াই লগে লগে এইটোও অৱগত হ'ল গৱেষণাগাৰত বন্দী হৈ থকা এই আচহুৱা প্ৰাণীটোৰ নিষ্ঠুৰ ভৱিষ্যতৰ কথা। যুদ্ধকালীন সেই পৰিৱেশত জেনেৰেল ফ্ৰাংক হয়েটে এই প্ৰাণীটোক শত্ৰুপক্ষৰ বিপৰীতে ব্যৱহাৰ কৰিব পৰাকৈ কৰ্নেল ৰিচাৰ্ড ষ্টিকেলণ্ডক বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰিবলৈ দিলে। পৰীক্ষাকালীন কালছোৱাত তাৰ ওপৰত চলিল অবৰ্ণনীয় অত্যাচাৰ। এইবোৰ দেখি এলিছিয়াই যেনেতেনে এই প্ৰাণীটোক গৱেষণাগাৰৰ পৰা পলাই নিয়াৰ পৰিকল্পনা কৰে। অনাকাংক্ষিত এই পৰিকল্পনাত সহযোগ আগবঢ়ায় গৱেষণাগাৰৰে আন এগৰাকী বিজ্ঞান মিডিট্ৰী মচেনক'ভে। বিজ্ঞানী ডিমিট্ৰী মচেলক'ৰ আৰু আন দুজন সংগী গিল আৰু জেল্ডাৰ সহায়ত এলিছিয়া এই প্ৰাণীটোক গৱেষমাগাৰৰ পৰা পলুৱাই নি এপাৰ্টমেণ্টৰ বাথটাবত ৰাখে। এই সময়ছোৱাত গীলৰ এই প্ৰাণীটোৰ অলৌকিক শক্তিৰ বিষয়ে অৱগত হয়। এই প্ৰাণীটোৰ স্পৰ্শত গীলৰ টপামূৰত আংশিকভাৱে চুলি গজি উঠি আৰু ৰাতিটোৰ ভিতৰতে আঘাতপ্ৰাপ্ত হাত এখনো ঠিক হৈ যায়। এলিছিয়াৰ লগত ৰোমাণ্টিক সম্পৰ্ক গঢ় লৈ উঠা এই আচৰিত জীৱটিৰ তাইৰ সৈতে শাৰীৰিক সম্পৰ্কও গঢ়ি উঠে।

ইফালে এই আচৰিত জীৱটিৰ সন্ধানত প্ৰায় পাগলৰ দৰে হৈ পৰা কৰ্নেল ষ্ট্ৰিকলেণ্ডে অৱশেষত জেল্ডাৰ পৰা তাৰ অৱস্থিতি উলিয়াবলৈ সক্ষম হয়।




কিন্তু ইতিমধ্যে কৃত্ৰিম পৰিৱেশত অসুস্থ হৈ পৰা জীৱটিক এলিছিয়াই সাগৰত এৰি দিয়াৰ পৰিকল্পনা কৰিছিলেই। ঠিক সেই মুহূৰ্ততে জেল্ডাই সকীয়াই দিয়াত ততাতৈয়াকৈ তাক সাগৰৰ পাৰলৈ লৈ আহে। কিন্তু সেই মুহূৰ্তত কৰ্নেল ষ্ট্ৰিকলেণ্ডো তাত উপস্থিত হয় আৰু গীলক আঘাত কৰি মাটিত পেলাই দিয়ে। তাৰ পিছত এলিছিয়া আৰু আচৰিত জীৱটিলৈ গুলী চলায়। গুলীৰ আঘাতত দুয়ো প্ৰায় মৃতপ্ৰায় হৈ পৰে যদিও জীৱটিয়ে নিজৰ শক্তিৰে মুহূৰ্ততে তাৰ আঘাতবোৰ ঠিক কৰি লয় আৰু কৰ্নেল ষ্টিকলেণ্ডক হত্যা কৰি এলিছিয়াক লৈ পানীত জঁপিয়াই পৰে। গভীৰ পানীৰ মাজত দেখা যায় সেই আচৰিত প্ৰাণীটোৰ স্পৰ্শত এলিছিয়াই জীৱন পাই উঠে আৰু আঘাতৰ চিন থকা ডিঙিৰ অংশত মাছৰ দৰে ফুল গজি উঠে। শেষত গীলৰ ভাষ্যত শুনা যায় ইয়াৰ পাছতে এলিছিয়াই সুখেৰে বাকী জীৱনকণ অতিবাহিত কৰে, আনৰ চকুত ধৰা নিদিয়াকৈ গভীৰ সমুদ্ৰৰ বুকুত দ্য শ্বেপ অৱ ৱাটাৰ ছবিখনত প্ৰেমৰ অনন্য এক ৰূপ প্ৰদৰ্শিত হয়। এই প্ৰেমে মানৱিক প্ৰেমৰ ঊৰ্দ্ধত এখন কাল্পনিক জগতলৈ দৰ্শকক টানি লৈ যায় যাৰ ফলত এই আচহুৱা প্ৰাণীটোৰ প্ৰতিও সকলোৱে এক আত্মিকতা অনুভৱ কৰে, তাৰ দুখ-কষ্টৰ সৈতে নিজকে সংপৃক্ত কৰি পেলায়। সেয়েহে এলিছিয়াৰ এই প্ৰাণীটোৰ সৈতে গঢ় লৈ উঠা প্ৰেম বা দৈহিক সম্পৰ্কক লৈ কোনেও অস্বাভাৱিকতা অনুভৱ নকৰে। ইয়াৰ বিপৰীতে কৰ্নেল ষ্ট্ৰিকলেণ্ডৰ ক্ৰুৰ-নিষ্ঠুৰতাৰ চিত্ৰণে এই *অস্বাভাৱিক সম্পৰ্কটোকো তেনেই স্বাভাৱিক হিচাপে পৰিস্ফুট কৰি তোলে।* ছবিৰ সন্মুখত বহি থকা সমগ্ৰ সময়খিনিত দৰ্শকে অনুভৱ কৰিবলৈ সক্ষম হয় পৰিচালকৰ সৃষ্টিশীল হাতৰ পৰশ। তাৰ বাবেই শ্ৰেষ্ঠ ছবিৰ লগতে পৰিচালক গিয়েৰম দেল তোৰোৱেও লাভ কৰিবলৈ সক্ষম শ্ৰেষ্ঠ পৰিচালকৰ অস্কাৰ সন্মান। মুঠ চাৰিটাকৈ অস্কাৰ সন্মানৰে সন্মানিত হোৱা গিয়েৰম দেল তোৰোৰ দ্য শ্বেপ অৱ ৱাটাৰ বিশ্বৰ চলিচ্চত্ৰ জগতত নিঃসন্দেহে তাৰ অনন্য কথকতা আৰু নিখুঁত ট্ৰিটমেণ্ট, পৰিৱেশনৰ বাবে সদায়ে সংবেদনশীল দৰ্শকৰ হৃদয়ত সাঁচ বহুৱাই ৰ'ব।

